# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
## 0000000000

**Date :** 19-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। মালয়েছিয়া-ভাৰত প্ৰতিৰক্ষা সহযোগিতা সমিতিৰ ত্ৰয়োদশ বৈঠক আজি কোৱালালামপুৰত অনুষ্ঠিত হয়।

২। ভাৰত সম্প্ৰতি আনৰ অনুসৰণকাৰী হোৱাৰ পৰিৱৰ্তে বিভিন্ন খণ্ডত নেতৃত্ব প্ৰদানকাৰী দেশৰূপে পৰিগণিত হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে মন্তব্য কৰিছে।

৩। পুডুচেৰী চৰকাৰে ৰাজ্যখনত চিকিৎসা সেৱাৰ বাবে অংগদান কৰা ব্যক্তিসকলক ৰাজ্যিক সন্মানেৰে সন্মানিত কৰাৰ সিদ্ধান্ত লৈছে।

৪। অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হৈছে। *আৰু*

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফীৰ উদ্বোধনী খেলখনত নিউজিলেণ্ডে পাকিস্তানক ৩২১ ৰাণৰ বিজয় লক্ষ্য বান্ধি দিছে।

০০০০

মালয়েছিয়া-ভাৰত প্ৰতিৰক্ষা সহযোগিতা সমিতিৰ ত্ৰয়োদশ বৈঠক আজি কোৱালালামপুৰত অনুষ্ঠিত হয়। ভাৰতৰ প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং আৰু মালয়েছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সচিব প্ৰধান লোকমন হাকিম বিন অলিয়ে বৈঠকত সহ অধ্যক্ষতা কৰে। যোৱা কেইটামান বছৰজুৰি দুয়োখন দেশৰ সামৰিক বাহিনীৰ মাজত নিয়মীয়া কাৰ্যকলাপেৰে ক্ৰমান্বয়ে বৃদ্ধি পোৱা দ্বিপাক্ষিক সহযোগিতাক লৈ দুয়োপক্ষই সন্তোষ প্ৰকাশ কৰে। আজিৰ বৈঠকত দুয়োখন দেশে আঞ্চলিক আৰু আন্তৰ্ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ বিভিন্ন বিষয়ক সামৰি আলোচনা কৰাৰ লগতে প্ৰভাৱশালী আৰু বাস্তৱিক পদক্ষেপ গ্ৰহণৰ জৰিয়তে দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা কাৰ্যকলাপ বৃদ্ধিৰ সন্দৰ্ভতো পৰ্যালোচনা কৰে। চাইবাৰ সুৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে শেহতীয়াকৈ অধিক প্ৰাসংগিক হৈ পৰা ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। ইয়াৰ লগতে প্ৰতিৰক্ষা উদ্যোগ, সামুদ্ৰিক সুৰক্ষা আৰু বহুপাক্ষিক কাৰ্যকলাপসমূহৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত থকা বৰ্তমানৰ সহযোগিতা বৃদ্ধিৰ বাবেও বৈঠকত কাৰ্যপন্থা হাতত লোৱা হয়। ভাৰত আৰু মালয়েছিয়াই এই বৈঠকতে কৌশলগত পৰিক্ৰমা কাৰ্যকৰী গোট গঠনৰ বাবে নীতি-নিৰ্দেশনা সমূহ চূড়ান্ত কৰে।

০০০০

ভাৰত সম্প্ৰতি আনৰ অনুসৰণকাৰী হোৱাৰ পৰিৱৰ্তে বিভিন্ন খণ্ডত নেতৃত্ব প্ৰদানকাৰী দেশৰূপে পৰিগণিত হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে মন্তব্য কৰিছে। এটা সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে কয় যে বিভিন্ন বিভাগত উদ্ভাৱনৰ ক্ষেত্ৰত গ্ৰহণ কৰা অগ্ৰণী ভূমিকা আৰু নেতৃত্বত জৰিয়তে দেশে বিশ্বত এখন উচ্চ আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। ড০ সিঙে ভাৰতীয় মহাকাশ খণ্ডত সম্প্ৰতি অভূতপূৰ্ব

ৰূপান্তৰ সাধন হৈছে বুলি আঙুলিয়াই দিয়ে। তেওঁ লগতে কয়, যে মহাকাশত ডকিং পৰীক্ষা সফলতাৰে সম্পন্ন হোৱা কাৰ্যই ভাৰতৰ প্ৰযুক্তিগত প্ৰগতিৰ কথাকে সূচায়। এই সফলতাই গগনযান, চন্দ্ৰযান-4 আৰু ভাৰতীয় মহাকাশ আস্থানৰ দৰে ভৱিষ্যতৰ মহাকাশ অভিযানসমূহত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনৰ বাবে ভাৰত সম্প্ৰতি বিশ্বৰ বাবে গুৰুত্বপূৰ্ণ স্থান হিচাপেও পৰিগণিত হৈছে। দেশে ৪৩৩ টা বিদেশী কৃত্ৰিম উপগ্ৰহ সফলতাৰে উৎক্ষেপন কৰিছে বুলিও তেওঁ কয়। ইয়াৰে ৩৯৬ টা উপগ্ৰহ যোৱা দশকটোত উৎক্ষেপন কৰা হয়।

০০০০

পুডুচেৰী চৰকাৰে ৰাজ্যখনত চিকিৎসা সেৱাৰ বাবে অংগদান কৰা ব্যক্তিসকলক ৰাজ্যিক সন্মানেৰে সন্মানিত কৰাৰ সিদ্ধান্ত লৈছে। পুডুচেৰী চৰকাৰে ইতিমধ্যে এই সন্দৰ্ভত নীতি নিৰ্দেশনা প্ৰস্তুত কৰিছে। এই অনুসৰি চিকিৎসালয়ত ব্ৰেইন ডে'ড অৰ্থাৎ মগজু-মৃত ৰোগী সন্দৰ্ভত চিকিৎসালয় কৰ্তৃপক্ষই জিলা আয়ুক্ত আৰু আঞ্চলিক কৰ্তৃপক্ষক ততালিকে জনাব লাগিব আৰু সেই অনুসৰি সংশ্লিষ্ট কৰ্তৃপক্ষই অংগদান কৰাৰ যোগ্য ব্যক্তিসকলৰ পৰিয়ালৰ ঘৰলৈ গৈ উপযুক্ত সন্মান সহকাৰে অংগদানৰ বাবে সন্মতিপত্ৰ চমজি ল'ব। স্বাধীনতা দিৱস অথবা গণৰাজ্য দিৱসৰ দৰে পবিত্ৰ দিনত অংগদান কৰা ব্যক্তিৰ পৰিয়ালক চৰকাৰীভাৱে আমন্ত্ৰণ কৰা হ'ব আৰু উপ-ৰাজ্যপাল অথবা মুখ্যমন্ত্ৰীয়ে ৰাজহুৱাভাৱে তেওঁলোকক সন্মানিত কৰিব।

০০০০

কেন্দ্ৰীয় চৰকাৰে আজি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে বিহাৰ, হাৰিয়ানা আৰু চিকিমৰ গ্ৰামীন স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অনুদান মোকলাই দিছে। বিহাৰে সংযুক্ত অনুদানৰ দ্বিতীয় কিস্তি হিচাপে ৮২১ কোটি টকাৰো অধিক পুঁজিৰ লগতে প্ৰথম কিস্তিৰ স্থগিত ৰখা প্ৰায় ৪৮ কোটি টকা লাভ কৰিছে। এই পুঁজি, ৩৮ খন জিলা পঞ্চায়ত, ৫৩০ খন খাদ্য খণ্ড পঞ্চায়ত আৰু আঠ হেজাৰতকৈও অধিক গাওঁ পঞ্চায়তৰ বাবে ব্যয় কৰা হ'ব।

হাৰিয়ানাৰ স্থানীয় নিকায়সমূহৰ বাবে দ্বিতীয় কিস্তি হিচাপে ২০২ কোটিতকৈ অধিক টকা আৰু প্ৰথম কিস্তিৰ স্থগিত ৰখা ৭ কোটি ৫০ লাখতকৈ অধিক টকা লাভ কৰিছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে এখন বিবৃতিযোগে প্ৰকাশ কৰা অনুসৰি এই পুঁজিসমূহ ১৮ খন জিলা পঞ্চায়ত, ১৪২ খন খণ্ড পঞ্চায়ত আৰু প্ৰায় ছহেজাৰ দুশখন গাওঁ পঞ্চায়তৰ বাবে মোকলাই দিয়া হৈছে। একেদৰে চিকিমে দ্বিতীয় কিস্তি হিচাপে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ৬ কোটিতকৈ অধিক ধন লাভ কৰিছে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে দ ক্ষিণ আফ্ৰিকাৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু সহযোগিতা মন্ত্ৰী ৰোনাল্ড লামোলাৰ আমন্ত্ৰণ মৰ্মে জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে জোহান্সবাৰ্গলৈ বুলি ৰাওনা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ড০ জয়শংকৰৰ অংশগ্ৰহণে জি-২০ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰিব আৰু এই গুৰুত্বপূৰ্ণ মঞ্চত গ্ল'বেল চাউথ ৰূপে পৰিচিত অৰ্থনীতি আৰু ঔদ্যোগীক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ কণ্ঠ সুদৃঢ় কৰিব। ড০ জয়শংকৰে বিদেশ মন্ত্ৰীসকলৰ বৈঠকত ভাগ লোৱাৰ আ পাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকতো মিলিত হোৱাৰ সম্ভাৱনা আছে।

০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হৈছে। এদিনৰ বিৰতিৰ মূৰত আজি অনুষ্ঠিত দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ আৰম্ভণিতে বিৰোধী পক্ষৰ কেইবাগৰাকীও সদস্যই কয়লা ছিণ্ডিকেট, অসম চুক্তিৰ ৬ নম্বৰ দফাৰ ৰূপায়ণ, ডিটেনছন শিবিৰ আদি বিভিন্ন প্ৰসংগ উত্থাপন কৰিবলৈ চেষ্টা কৰে। অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে সদস্যসকলৰ দাবীৰ প্ৰতি কৰ্ণপাত নকৰি প্ৰশ্নোত্তৰ কাল চলাই নিয়ে। প্ৰশ্নোত্তৰ কাল শেষ হোৱাৰ পাছত শূন্যকালত বিৰোধী সদস্যসকলে এককেইটা বিষয়ক লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ বাবে দাবী জনায়। অধ্যক্ষই সদনৰ কাৰ্য পৰিচালনাৰ আন বিধিৰ অধীনত বিষয়সমূহ আলোচনা কৰিব পৰা যায় বুলি সদস্যসকলক বুজাবলৈ চেষ্টা কৰে যদিও সদনত হুলস্থূলীয়া পৰিৱেশ অব্যাহত থাকে। বিৰোধী পক্ষৰ কেইবাগৰাকী সদস্যই কয়লা ছিণ্ডিকেট, অসম চুক্তিৰ ৬ নম্বৰ দফা, ডিটেনছন শিবিৰ সন্দৰ্ভত আলোচনাৰ দাবী জনাই সদনৰ মজিয়ালৈ উঠি গৈ ধৰ্ণা দিবলৈ ধৰে। ইয়াৰ বিপৰীতে শাসকীয় পক্ষৰ সদস্যসকলেও অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰি সম্পৰ্কে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদনক লৈ আলোচনাৰ দাবীত ধৰ্ণা দিয়ে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ বাবে অধ্যক্ষই তিনিবাৰকৈ সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখিবলৈ বাধ্য হয়। তিনিবাৰকৈ কাম-কাজ স্থগিত ৰখাৰ পাছত সদন পুনৰ মিলিত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধায়কসকলে উত্থাপন কৰা বিষয়সমূহক আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰ সাজু বুলি ঘোষণা কৰে আৰু সেই সময়ত অধ্যক্ষৰ আসনত থকা উপাধ্যক্ষ নোমল মমিনক আলোচনাৰ দিন নিৰ্ধাৰণ কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ পাছত সদনৰ পৰিস্থিতি শান্ত হয় আৰু স্বাভাৱিক কাম-কাজ পুনৰ আৰম্ভ হয়।

০০০০

ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে ভুৱনেশ্বৰৰ কলিংগ ঔদ্যোগিক প্ৰযুক্তি প্ৰতিষ্ঠান -চমুকৈ কে আই আই টি বিশ্ববিদ্যালয়ত অধ্যয়নৰত নেপালৰ এগৰাকী ছাত্ৰীৰ আত্মহননৰ ঘটনাৰ যথোচিত তদন্ত কৰা হ'ব আৰু দোষীক আইনৰ আওতালৈ অনা হ'ব বুলি নেপালৰ দূতাবাসক আশ্বাস দিছে। শ্ৰীমাঝিয়ে আজি নেপাল দূতাবাসৰ দুগৰাকী কটকীৰ সৈতে এই সন্দৰ্ভত কথা পাতে আৰু বিশ্ববিদ্যালয়ৰ চৌহদত বাস কৰা শ শ নেপালী ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষা সম্পৰ্কে তেওঁলোকক আশ্বস্ত কৰে। বিশ্ববিদ্যালয়খনত শীঘ্ৰে শান্তিৰ পৰিৱেশ ঘুৰাই অনা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়। তেওঁ এই ঘটনাত ভীতিগ্ৰস্ত হৈ বিশ্ববিদ্যালয় চৌহদ ত্যাগ কৰা নেপালী ছাত্ৰ-ছাত্ৰীসকলক শীঘ্ৰে ঘুৰি আহিবলৈকো মুখ্যমন্ত্ৰী মাঝিয়ে আহ্বান জনায়। নেপালৰ বিদেশ মন্ত্ৰী ড০ আৰজু ৰাণা দেওবাই ওড়িশাৰ উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী সূৰ্যবংশী সূৰজৰ সৈতে ঘটনা সন্দৰ্ভত টেলিফোনযোগে বাৰ্তালাপ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে, ভুৱনেশ্বৰৰ কে আই আই টি চৌহদত ছাত্ৰসকলৰ প্ৰতিবাদ আজিও অব্যাহত আছে আৰু প্ৰতিবাদকাৰীসকলে ছাত্ৰীগৰাকীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত  উপযুক্ত তদন্তৰ দাবী জনাই আছে।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নৱম সংস্কৰণৰ উদ্বোধনী খেলত আজি নিউজিলেণ্ডে পাকিস্তানক জয়ৰ বাবে ৩২১ ৰাণৰ লক্ষ্য বান্ধি দিছে। পাকিস্তানৰ কৰাচীত অনুষ্ঠিত খেলখনত নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ৩২০ ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ উইলিয়াম ইয়ঙে ১০৭ ৰাণৰ বৰঙণি আগবঢ়ায়। টম লাথামে সৰ্বাধিক ১১৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাকিস্তানৰ নছিম শ্বাহ আৰু হাৰিছ ৰওফে দুটাকৈ উইকেট দখল কৰে। এই প্ৰতিযোগিতাত বিশ্বৰ শীৰ্ষস্থানৰ ৮খন দেশে অংশ লৈছে। প্ৰতিযোগিতাখনৰ গ্ৰুপ-এত ভাৰত, নিউজিলেণ্ড,

বাংলাদেশ আৰু আয়োজক পাকিস্তান তথা গ্ৰুপ-বিত আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক ৰখা হৈছে। ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰত কাইলৈ ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি দেলহী কেপিটেলছ - ইউ পি ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ সংস্কৰণত অসমৰ উমা চেত্ৰীয়ে ইউ পি ৱাৰিয়ৰ্ছ আৰু জিণ্টিমণি কলিতাই মুম্বাই ইণ্ডিয়ানছৰ হৈ খেলিছে। যোৱা ১৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা মহিলা প্ৰিমিয়াৰ লীগৰ চূড়ান্ত খেলখন অহা ১৫ মাৰ্চত মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০

সমাপ্ত